# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৪৮/২০২০**

## সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২ ফেব্ৰুৱাৰী ঃ** আজি মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাস গৃহত সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ এক প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ বিভিন্ন দাবীৰ সম্পৰ্কত বিতং ভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই দাবী সমূহ সহানুভূতিৰে বিবেচনা কৰি যথোচিত পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো জাতি-জনগোষ্ঠীৰ সম-উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা কাম কৰি আহিছে। প্ৰতিটো সৰু-বৰ জনগোষ্ঠীৰ স্বাভিমান আৰু মৰ্যাদা বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। বিভিন্ন জনগোষ্ঠীৰ বীৰ পুৰুষ আৰু বীৰাঙ্গণা সকলক ৰাজ্যিক মৰ্যাদা প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক বৰ্ষত প্ৰদান কৰিব পৰাকৈ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নামত ৰাজ্যিক বঁটা ঘোষণা কৰা হৈছে। মটক জনগোষ্ঠীৰ সৰ্বাংগীন বিকাশৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে আৰু এই জনগোষ্ঠীৰ অন্যান্য সমস্যা সমূহো ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি সমাধানৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস কৰিব।

আজিৰ এই বৈঠকত বিধায়কদ্বয় বিনোদ হাজৰিকা আৰু ঋতুপৰ্ণ বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, মুখ্যমন্ত্ৰীৰ সচিব ৰঞ্জন চক্ৰৱৰ্তী আৰু সদৌ অসম যুৱ ছাত্ৰ পৰিষদৰ প্ৰতিনিধি সকল উপস্থিত আছিল।

**পুঃডেঃ**
**২/০২/২০২০**